**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-08-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। অশান্তজৰ্জৰ বাংলাদেশৰ পৰা বহুসংখ্যক শিক্ষাৰ্থী ইতিমধ্যে চৰকাৰৰ উপদেশমৰ্মে দেশলৈ ঘূৰি আহিছে যদিও প্ৰায় ৯ হাজাৰ শিক্ষাৰ্থীকে ধৰি ১৯ হাজাৰ ভাৰতীয় নাগৰিক বাংলাদেশত আছে বুলি বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ প্ৰকাশ।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি ন্যায়িক ধৰমহা আয়োগৰ ভাট্টাসমূহৰ সংশোধিত হাৰৰ ওপৰত কাৰ্যকৰীকৰণ বৈঠক।

৩। আকাশবাণীৰ সঞ্চালক প্ৰধান মৌচুমী চক্ৰৱৰ্তী আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰত ভ্ৰমণ।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পশ্চিম আৰু পূব ভাৰতত অহা দুই-তিনি দিনত ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা প্ৰকাশ

**আৰু**

৫। পেৰিছ্ অলিম্পিকত যোৱাবাৰৰ চেম্পিয়ন নীৰজ চোপ্ৰাই আজি পুৰুষৰ জেভলিন থ্ৰ'ত ৮৯ দশমিক ৩-৪ মিটাৰ থ্ৰ' কৰি ফাইনেলত প্ৰৱেশ।

০০০০০০০

বিদেশ মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি সংসদৰ উভয় সদনৰ বৈঠকত চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সাম্প্ৰতিক স্থিতি সন্দৰ্ভত কয় যে, বৰ্তমান প্ৰায় ৯ হাজাৰ শিক্ষাৰ্থীকে ধৰি ১৯ হাজাৰ ভাৰতীয় নাগৰিক বাংলাদেশত আছে। বহুসংখ্যক শিক্ষাৰ্থী ইতিমধ্যে ঢাকাৰ উচ্চ আয়ুক্তৰ উপদেশমৰ্মে যোৱা মাহত দেশলৈ ঘূৰি আহিছে। বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে, বাংলাদেশৰ সংখ্যালঘুসকলৰ সুৰক্ষাৰ প্ৰতি যদিও ভাৰতে চিন্তা কৰে এই ক্ষেত্ৰত কোনো পদক্ষেপ লোৱাৰ সময়ত আইন শৃংখলা বজাই ৰখাত অধিক গুৰুত্ব দিয়া হ'ব। তেওঁ কয় যে, ভাৰত-বাংলাদেশ সীমান্ত অঞ্চলত সুৰক্ষাৰ ক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰা হৈছে। তেওঁ কয় যে, বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰাৰ পাছত ভাৰতলৈ আহিবৰ বাবে অনুমতি বিচাৰিছিল আৰু কালি সন্ধিয়া দিল্লীত উপস্থিত হৈছেহি। যোৱা ২৪ ঘণ্টাত নতুন দিল্লী আৰু ঢাকাৰ প্ৰশাসনিক কৰ্তৃপক্ষৰ মাজত আলোচনা চলি আছে। বাংলাদেশৰ সেনাপ্ৰধান জেনেৰেল ৱাকাৰ উজ জামানে কালি দেশখনক উদ্দেশ্যি দিয়া ভাষণত দেশখনত এখন অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰি দায়িত্ব গ্ৰহণৰ কথা উল্লেখ কৰা বুলিও মন্ত্ৰী ড০ জয়শংকৰে জানিবলৈ দিয়ে।

ইয়াৰ পূৰ্বে চৰকাৰে বাংলাদেশৰ স্থিতি সম্পৰ্কে আলোচনা কৰাৰ বাবে পুৱাৰ ভাগত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। নতুন দিল্লীত অনুষ্ঠিত এই বৈঠকত বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে নেতাসকলক বাংলাদেশৰ শেহতীয়া ঘটনাক্ৰম সম্পৰ্কে অৱগত কৰে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে সৰ্বদলীয় বৈঠকত লাভ কৰা পূৰ্ণ সমৰ্থনৰ শলাগ লয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু আৰু কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা বৈঠকত উপস্থিত থাকে। লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধী, তৃণমূল কংগ্ৰেছৰ নেতা সুদীপ বন্দোপধ্যায়, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰীয়া ছুলে, আৰ জে ডি নেত্ৰী নিশা ভাৰতী, এছ্ পি নেতা প্ৰফেছাৰ ৰাম গোপাল যাদৱ আৰু ডি এম কেৰ টি আৰ বালু প্ৰমুখ্যে বিৰোধী পক্ষৰ ভালেসংখ্যক নেতাই বৈঠকত অংশ লয়। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰী তথা জে ডি ইউ নেতা লল্লন সিং, কেন্দ্ৰীয় মন্ত্ৰী তথা জে ডি এছ্ নেতা এইচ ডি কুমাৰস্বামী, কেন্দ্ৰীয় মন্ত্ৰী তথা টি ডি পি নেতা ৰাম মোহন নাইডু আৰু এল জে পি আৰৰ অৰুণ ভাৰতীয়ে বৈঠকত ভাগ লয়।

০০০০০০০০

আকাশবাণীৰ বাতৰি বিভাগে অহৰহ সকলো শ্ৰেণীৰ শ্ৰোতাক পোনপটীয়া, সত্য, শুদ্ধ আৰু নিৰপেক্ষ ৰূপত বাতৰি দি আহিছে। সময় আৰু পৰিস্থিতিৰ প্ৰত্যাহ্বানকো নেওচি আকাশবাণী বাতৰি বিভাগৰ কৰ্মীসকলে শ্ৰোতাসকলৰ বাবে বাতৰি প্ৰচাৰ অব্যাহত ৰাখিছে। আকাশবাণীৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰ ভ্ৰমণ কৰাৰ সময়ত এই মন্তব্য কৰে। তেওঁ কয় যে আকাশবাণী গুৱাহাটীয়েও বিভিন্ন প্ৰতিকূল পৰিস্থিতিকো নেওচি শ্ৰোতাক নিৰপেক্ষ ৰূপত বাতৰি দিয়াৰ ধাৰা অব্যাহত ৰাখিছে। অসমৰ পৰা প্ৰথমবাৰৰ বাবে সঞ্চালকপ্ৰধানৰ দায়িত্ব লাভ কৰা শ্ৰী মতী চক্ৰৱৰ্তীয়ে আজি বিয়লি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ নৱৰূপত সজাই তোলা কক্ষ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই অনুষ্ঠানত পি আই বিৰ উত্তৰ-পূব মণ্ডলৰ সঞ্চালকপ্ৰধান কে সতীশ নাম্বুড্ৰিৰিপাড আৰু পি আই বি গুৱাহাটীৰ অতিৰিক্ত সঞ্চালকপ্ৰধান জেন নেমছু, আকাশবাণীৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ, আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক মুৰব্বী ৰবিন চন্দ্ৰ বড়ো প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কক্ষ উদ্বোধন কৰি সঞ্চালকপ্ৰধানগৰাকীয়ে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ সদস্যসকলক এটা পৰিয়ালৰ দৰে বুলি অভিহিত কৰি অভিনন্দন জ্ঞাপন কৰে। ইয়াৰ আগেয়ে তেওঁ আকাশবাণী গুৱাহাটী কেন্দ্ৰ আৰু প্ৰচাৰ ভাৰতীৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত কেন্দ্ৰটোৰ অধীনত চলি থকা বিভিন্ন কাম-কাজ সম্পৰ্কে তেওঁ বিতংভাৱে বুজ লয়। ইয়াৰ পাছতে শ্ৰীমতী চক্ৰৱৰ্তীৰ সন্মানাৰ্থে আকাশবাণী গুৱাহাটীয়ে আয়োজন কৰা কেন্দ্ৰটোৰ এ গ্ৰেড শিল্পী মনোজ বৰুৱা আৰু কৌশিক কোঁৱৰৰ ভায়'লিন আৰু তবলা বাদন কাৰ্যসূচী তেওঁ উপভোগ কৰে। উল্লেখযোগ্য যে আকাশবাণীৰ সঞ্চালক প্ৰধান হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত শ্ৰী চক্ৰৱৰ্তীৰ এয়া আছিল প্ৰথম অসম ভ্ৰমণ।

০০০০০০০০

লোকসভাত বিত্ত বিধেয়ক ২০২৪ সন্দৰ্ভত আলোচনা আৰম্ভ হৈছে। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ ড° অমৰ সিঙে এইবাৰৰ কেন্দ্ৰীয় বাজেটে অকল উচ্চ আয়ৰ গোটসমূহকে সকাহ প্ৰদান কৰা বুলি আৰু বাজেটত মধ্য আৰু নিম্ন আয়ৰ লোকৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে দেশত কৃষি ক্ষেত্ৰৰ বিকাশ ক্ৰমাৎ হ্ৰাস পাইছে। তেওঁ লগতে কৃষকসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বিষয় লৈ চৰকাৰক প্ৰশ্ন উত্থাপন কৰে।

আলোচনাত অংশ লৈ বিজেপিৰ নিশিকান্ত ডুবেই কয় যে কেন্দ্ৰীয় বাজেটত এঞ্জেল কৰৰ বিলুপ্তি সাধনৰ বাবে দিয়া প্ৰস্তাৱে ষ্টাৰ্ট আপসমূহৰ প্ৰসাৰত সহায় কৰিব আৰু দেশত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সম্ভাৱনা বৃদ্ধি পাব। তেওঁ লগতে অগ্নিবীৰ আঁচনিৰ সমালোচনা কৰাৰ বিষয় লৈ বিৰোধী পক্ষক প্ৰশ্ন উত্থাপন কৰে। কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ অভিযোগ লৈ বিৰোধী পক্ষক সমালোচনা কৰি শ্ৰীডুবেই কয় যে, কেন্দ্ৰীয় তদন্ত সংস্থা চিবিআই আৰু বিধি বলবৎকাৰী সংস্থা ই ডিক দুৰ্ঘটনাৰ গোচৰসমূহৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছে বুলি প্ৰকাশ কৰে।

০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰধানমন্ত্ৰী জন ধন একাউণ্ট আৰু বুনিয়াদী ছেভিং বেংক একাউণ্টৰ বাবে ন্যূনতম জমাৰাশিৰ আৱশ্যকতা নাই বুলি স্পষ্ট কৰি দিছে। ৰাজ্যসভাত প্ৰশ্নকালৰ সময়ত ন্যূনতম জমা ৰাশি নথকাৰ বাবে একাউণ্ট ধাৰকসকলৰ পৰা বিভিন্ন বেংকে মাছুল আদায় কৰা সন্দৰ্ভত সোধা এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰীয়ে কৈছে যে চৰকাৰে বিত্তীয় প্ৰৱঞ্চনাৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে। তেওঁ কয় যে বিত্তীয় প্ৰৱঞ্চনা নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে বিভিন্ন বেংক আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ গোলাঘাট জিলাৰ দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীত অসম বন সুৰক্ষা বাহিনী কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰিব। গোলাঘাট জিলা প্ৰশাসনে প্ৰকাশ কৰা মতে মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ অনুষ্ঠিত হ'বলগীয়া সমাৰোহত ৯৮১ গৰাকী বন সুৰক্ষা বাহিনীৰ কনিষ্টবলক দীক্ষান্তৰ প্ৰমাণপত্ৰ প্ৰদান কৰিব। ইয়াৰ পাছত মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই কাজিৰঙাৰ বাগৰিত অনুষ্ঠিত হ'বলগীয়া কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু বাঘ সংৰক্ষিত বনাঞ্চলৰ বাবে ইনফ্লেটেবল ৰবৰ নাও অৰ্থাৎ আই আৰ বি বিতৰণৰ এটা অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

০০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ চতুৰ্থ বৰ্ষপূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যত কালিৰেপৰা ১১ আগষ্টলৈ আয়োজন কৰা শিক্ষা সপ্তাহৰ অংশ হিচাপে আজি মৰিগাঁও জিলাত কাৰ্যসূচী গ্ৰহণ কৰা হয়। জিলাখনত আজি সমগ্ৰ শিক্ষা বিভাগে নডেল শিক্ষকসকলৰ বৃত্তিমুখী পৰামৰ্শ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত চাংসাৰিৰ চেণ্ট্ৰেল ইনষ্টিটিউট অব্ পেট্ৰ'কেমিকেল ইঞ্জিনীয়াৰিং এণ্ড টেক্‌ন'ল'জী অৰ্থাৎ ছিপেটৰ কাৰিকৰী নিৰ্দেশকসকলে সমল ব্যক্তিৰূপে অংশ লৈছে। জিলাখনৰ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ ১২৫ গৰাকী শিক্ষকে অংশগ্ৰহণ কৰা এই প্ৰশিক্ষণৰ উদ্বোধনী অনুষ্ঠানত মৰিগাঁও জিলা শিক্ষা বিভাগৰ বিষয়াসকলৰ উপৰি চিপেটৰ শৈক্ষিক সমন্বয়ক প্ৰাঞ্জল গোস্বামী প্ৰমুখ্যে কেইবাগৰাকীও ব্যক্তিয়ে ভাষণ দিয়ে। উল্লেখযোগ্য যে সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালকে প্ৰতিদিনে একোটা বিশেষ বিষয়বস্তুৰ আধাৰত এই কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে বিদ্যালয়সমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি কালিৰ দিনটো শিক্ষণ-শিকন সামগ্ৰীৰ দিন, আজি এফ এল এন দিন, কাইলৈ ক্ৰীড়া দিন, পৰহিলৈ সাংস্কৃতিক দিন, ৯ আগষ্টত দক্ষতা আৰু ডিজিটেল পদক্ষেপ দিন, ১০ আগষ্টত বিদ্যালয় পৰিপুষ্টি দিন আৰু ১১ আগষ্টৰ দিনটো সামুহিক দিন হিচাপে পালন কৰিবলৈ বিদ্যালয়সমূহক নিৰ্দেশ দিয়া হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ জৰিয়তে শিক্ষাক্ষেত্ৰলৈ অহা পৰিৱৰ্তন তথা সাফল্যসমূহক এই কাৰ্যসূচীৰ জৰিয়তে প্ৰতিফলিত কৰিব বিচৰা হৈছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পশ্চিম আৰু পূব ভাৰতত অহা দুই-তিনি দিনত ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিভাগৰ মতে অসমকে ধৰি অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, পশ্চিমবংগ আৰু ছিকিমত অহা ১০ আগষ্টলৈকে পাতলীয়া তথা সময়ে সময়ে মুষলধাৰে বৰষুণ হ'ব বুলি সতৰ্কতা জাৰি কৰিছে।

০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি দ্বিতীয় ন্যায়িক দৰমহা আয়োগৰ ভাট্টাসমূহৰ সংশোধিত হাৰৰ ওপৰত পৰামৰ্শ আৰু কাৰ্যকৰীকৰণ সন্দৰ্ভত বৈঠক অনুষ্ঠিত হয়। বৈঠকত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপৰিও আইন আৰু ন্যায় বিভাগৰ উচ্চপদস্থ বিষয়াসকলো উপস্থিত আছিল।

০০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত লখিমপুৰৰ মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ উদ্যোগত তথা ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ ৰাষ্ট্ৰীয় উদ্ভিদ, জৈৱ প্ৰযুক্তি প্ৰতিষ্ঠান নতুন দিল্লীৰ সৌজন্যত আজি লখিমপুৰত কৃষি সঁজুলি বিতৰণ আৰু ব্যৱসায়িক কাৰ্যসূচী সম্পন্ন হয়। লখিমপুৰ আৰু ধেমাজি জিলাৰ বাওধানৰ কৃষি কাৰ্যৰ সৈতে জড়িত তথা দ্বৈত শস্য ৰোপণত জড়িত প্ৰগতিশীল কৃষকসকলক কৃষি সঁজুলিসমূহ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে অসম কৃষি বিশ্ববিদ্যালয়ে চলিত বছৰত অসমৰ মুঠ এহেজাৰ হেক্টৰ কৃষিভূমিত দ্বৈত শস্য ৰোপন ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অধীনত মাণ্ডলিক গৱেষণা কেন্দ্ৰ উত্তৰ লখিমপুৰে জিলাখনৰ মুঠ ৩০ হেক্টৰ কৃষিভূমিত এই ব্যৱস্থা ৰূপায়ণ কৰিবলৈ অগ্ৰসৰ হৈছে। ইয়াৰে ৬০ শতাংশ কৃষিভূমিত কৃষি যান্ত্ৰিকীকৰণত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০০০

অসম গণ পৰিষদৰ আমবাৰীৰ মুখ্য কাৰ্যালয়ত আজি অসম মহিলা পৰিষদ, অসম কৃষক পৰিষদ, অসম ছাত্ৰ পৰিষদ আৰু অসম ধৰ্মীয় সংখ্যালঘু পৰিষদৰ চাৰিখন গুৰুত্বপূৰ্ণ বৰ্ধিত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সভা অনুষ্ঠিত হয়। চাৰিখন সভাতে কেন্দ্ৰীয় সমিতি, জিলা সমিতি আৰু সমষ্টি সমিতিৰ সভাপতি, সম্পাদক তথা বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। মূলতঃ তৃণমূল পৰ্যায়ৰ পৰা দলটোক সাংগঠনিকভাৱে শক্তিশালী কৰা আৰু নিৰ্বাচনকেন্দ্ৰিক প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যে এই সভাকেইখন অনুষ্ঠিত কৰা হয়। সেই অনুসৰি অহা ১১, ১২ আৰু ১৩ আগষ্ট তাৰিখে সকলো বিধানসভা সমষ্টিতে সভা অনুষ্ঠিত কৰাৰ লগতে ১৯, ২০ আৰু ২১ আগষ্ট তাৰিখে গুৱাহাটীত তিনিদিনীয়াকৈ ৰাজনৈতিক কৰ্মশালা আৰু ২৫ আগষ্টৰ পৰা ৩১ আগষ্টলৈ প্ৰতিটো বুথতে বুথ সন্মিলন অনুষ্ঠিত কৰা হ'ব বুলি দলৰ সভাপতি অতুল বৰাই জানিবলৈ দিয়ে। আঞ্চলিকতাবাদৰ সুদিন ঘূৰি আহিছে উল্লেখ কৰি শ্ৰীবৰাই কয় যে, শক্তিশালী আঞ্চলিকতাবাদে অসমক আগুৱাই নিব। অসম গণ পৰিষদ দলে আহিবলগীয়া দিনত অসমৰ ৰাজনীতিত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব বুলি দলটোৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তই মন্তব্য কৰে। সভাত দলৰ সাধাৰণ সম্পাদককে ধৰি কেইবাগৰাকীও নেতা-কৰ্মী উপস্থিত থাকে।

০০০০০০০০

উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে ২০২১ চনৰ আগষ্ট মাহৰ পৰা ২০২৩ চনৰ আগষ্ট মাহৰ ভিতৰত ডিব্ৰুগড় জিলাত ই-শ্ৰম প'ৰ্টেলত পঞ্জীভুক্ত যোগ্য ব্যক্তিসকলে ৰাষ্ট্ৰৰ খাদ্য সুৰক্ষা আইন, ২০১৩-ৰ অধীনত ৰেচন কাৰ্ড প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ অংশ হিচাপে আজি বৰবৰুৱা উন্নয়ন খণ্ডৰ কাৰ্যালয়ত খণ্ড উন্নয়ন বিষয়াৰ অধ্যক্ষতাত পৰ্যবেক্ষণ সমিতিৰ এখন জৰুৰী সভা অনুষ্ঠিত হয়। সভাত ২৩৬ গৰাকী হিতাধিকাৰীয়ে দাখিল কৰা আবেদনসমূহ চালি-জাৰি চোৱা হয়। ডিব্ৰুগড় জিলাত যাতে এগৰাকীও হিতাধিকাৰী বাদ নপৰে, সেই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিবলৈ জিলা আয়ুক্তই নিৰ্দেশ দিছে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা তালিকাত নাম অন্তৰ্ভুক্ত ব্যক্তিসকলক নতুনকৈ ৰেচন কাৰ্ড প্ৰদান অথবা নাম অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়া অহা ১৩ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে।

০০০০০০০০

তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই আজি অভিযান চলাই ওদালগুৰি জিলাৰ কলাইগাঁও ৰাজহ চক্ৰৰ লাটমণ্ডল ৰহিৰাম মণ্ডল আৰু চৰকাৰী বাহন চালক ধ্ৰুৱ চৰণ নাথক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে মণ্ডল আৰু নাথক উৎকোচ লোৱাৰ সময়ত বিভাগীয় কৰ্মীয়ে হাতে-লোটে ধৰা পেলাবলৈ সক্ষম হয়।

০০০০০০০

পেৰিছ্ অলিম্পিকত যোৱাবাৰৰ চেম্পিয়ন নীৰজ চোপ্ৰাই আজি পুৰুষৰ জেভলিন থ্ৰ'ত ৮৯ দশমিক ৩-৪ মিটাৰ থ্ৰ' কৰি ফাইনেলত প্ৰৱেশ কৰিছে। একেটা ইভেণ্টতে এছিয়ান গেমছত ৰূপক পদক লাভ কৰা কিশোৰ কুমাৰ জেনাই গ্ৰুপ-এৰ যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত ১৫ স্থানতে থমকি ৰ'বলগীয়া হয়।

মল্লযুদ্ধত এছিয়ান গেমছ আৰু কমনৱেলথ গেমছত সোণৰ পদক বিজেতা ৱিনেশ ফোগাটে মহিলাৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ইউক্ৰেইনৰ ওকছানা লিভাকক ৭-৫ত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ইয়াৰ পূৰ্বে ফোগাটে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাপানৰ ছুছাকী য়ুইক ৩-২ ফলাফলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। ৱিনেশ ফোগাটে আজি নিশা ১০ বাজি ২৫ মিনিটত অনুষ্ঠিত হ'বলগীয়া ছেমি ফাইনেত কিউবাৰ মল্লযোদ্ধা য়ুছনেইলিছ্ গুজমান ল'পাজ বা লিথুৱেনিয়াৰ গেভিজা ডিলাইতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ভাৰতীয় হকী দলটোৱে গ্ৰেট ব্ৰিটেইনক পৰাস্ত ছেমি ফাইনেত নিজৰ স্থান নিশ্চিত কৰিছে। ভাৰতে এতিয়ালৈকে অলিম্পিকত ৮টা সোণ, এটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকেৰে মুঠ ১২টা পদক অৰ্জন কৰি হকীৰ ক্ষেত্ৰত সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী দেশ হিচাপে পৰিগণিত হৈছে।

০০০০০০০০০

**সমাপ্ত**